**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 14-06-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN
**HEADLINES**
**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ পাঁচদিনীয়া ভ্ৰমণসূচীৰে চাইপ্ৰাছ, কানাডা আৰু ক্ৰ'ৱেছিয়ালৈ যাব।

২। নিষিদ্ধ সংগঠন হিজব-উট-তেহৰিৰ, **হুটৰ** সৈতে জড়িত এটা সন্ত্ৰাসবাদী পৰিকল্পনা গোচৰত ৰাষ্ট্ৰীয় তদন্ত সংস্থা, এন আই এই আজি মধ্য প্ৰদেশ আৰু ৰাজস্থানৰ কেতবোৰ স্থানত অভিযান চলায়।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি অনুসৰি ইৰানৰ ক্ষেপণাস্ত্ৰক ধবংস কৰাৰ ক্ষেত্ৰত ইজৰাইলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আকাশ প্ৰতিৰক্ষা ব্যৱস্থা আৰু সাগৰীয় প্ৰতিৰক্ষা ব্যৱস্থাৰ সহায় লৈছিল।

৪। ইজৰাইলে ইৰানৰ ভূমিত কৰা বোমাবৰ্ষণ আৰু তেল আভিভক লক্ষ্য কৰি ইৰানে চলোৱা ক্ষেপনাস্ত্ৰ আক্ৰমণ শীঘ্ৰেই বন্ধ কৰিবলৈ ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে আহ্বান জনাইছে। ***আৰু***

৫। লৰ্ডছত অনুষ্ঠিত আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাই জয়ৰ নিচেই কাষ চাপিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কাইলৈ চাইপ্ৰাছ, কানাডা আৰু ক্ৰ'ৱেছিয়ালৈ পাঁচদিনীয়া আনুষ্ঠানিক ভ্ৰমণসূচী আৰম্ভ কৰিব। চাইপ্ৰাছৰ ৰাষ্ট্ৰপতি নিকোছ ক্ৰীষ্টোড'লিডেছৰ আমন্ত্ৰণ মৰ্মে কাইলৈ প্ৰধানমন্ত্ৰী শ্ৰীমোডী চাইপ্ৰাছলৈ যাব। দুই দশকৰো অধিক সময়ৰ পাছত চাইপ্ৰাছলৈ ভাৰতৰ প্ৰধানমন্ত্ৰীৰ এয়া হ'ব প্ৰথম আনুষ্ঠানিক ভ্ৰমণ। নিকোচিয়াত থকাৰ সময়ছোৱাত শ্ৰী মোডীয়ে ৰাষ্ট্ৰপতি ক্ৰিষ্টোড'লিডেছৰ সৈতে আলোচনাত মিলিত হ'ব আৰু লিমাচ'লত ব্যৱসায়িক নেতাসকলক সম্বোধন কৰিব । এই ভ্ৰমণে দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্ক গভীৰ কৰাৰ লগতে ভূ মধ্যসাগৰীয় অঞ্চল আৰু ইউৰোপীয় সংঘৰ সৈতে ভাৰতৰ সংযোগ শক্তিশালী কৰিব ।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নিৰ আমন্ত্ৰণমৰ্মে পৰহিলৈ কানাডালৈ গৈ শ্ৰী মোডীয়ে জি-7 সন্মিলনত অংশগ্ৰহণ কৰিব । এই জি-7 সন্মিলনত প্ৰধানমন্ত্ৰীয়ে একেৰাহে ছবাৰলৈ অংশগ্ৰহণ কৰিব। এই সন্মিলনত শ্ৰী মোডীয়ে জি-7 দেশৰ নেতা, অন্যান্য আমন্ত্ৰিত দেশ তথা আন্তৰাষ্ট্ৰীয় সংস্থাৰ মূৰব্বীসকলৰ সৈতে শক্তি সুৰক্ষা,প্ৰযুক্তি আৰু উদ্ভাৱনকে ধৰি গুৰুত্বপূৰ্ণ বিশ্বাব্যাপী বিষয় বিশেষকৈ কৃত্ৰিম বুদ্ধিমত্তা শক্তি সংযোগ আৰু কোৱান্টাম সম্পৰ্কীয় বিষয় সন্দৰ্ভত মতামত বিনিময় কৰিব। জি-7 সন্মিলনৰ উপৰিও প্ৰধানমন্ত্ৰীগৰাকীয়ে কেইবাখনো দ্বিপাক্ষিক বৈঠকত ভাগ ল'ব ।

এই  ভ্ৰমণৰ অন্তিম পৰ্যায়ত শ্ৰী মোডীয়ে চলিত মাহৰ ১৮ তাৰিখে ক্ৰ’ৱেচিয়ালৈ যাব। দ্বিপাক্ষিক সম্পৰ্কৰ মাইলৰ খুঁটি হিচাপে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ ক্ৰ’ৱেচিয়া ভ্ৰমণৰ এইটোৱেই হ’ব প্ৰথমটো ভ্ৰমণ। শ্ৰী মোডীয়ে ক্ৰ’ৱেচিয়াৰ প্ৰধানমন্ত্ৰী আন্দ্ৰেজ প্লেনকোভিচৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ’ব আৰু ক্ৰ’ৱেছিয়াৰ ৰাষ্ট্ৰপতি জোৰান মিলানোভিচৰ সৈতে সাক্ষাৎ কৰিব। ক্ৰ’ৱেচিয়া ভ্ৰমণে ইউৰোপীয় সংঘৰ অংশীদাৰ দেশসমূহৰ সৈতে ভাৰতৰ যোগাযোগ অধিক শক্তিশালী কৰিব।

ooooo

নিষিদ্ধ সংগঠন হিজব-উট-তেহৰিৰ, **হুটৰ** সৈতে জড়িত এটা সন্ত্ৰাসবাদী পৰিকল্পনা গোচৰত ৰাষ্ট্ৰীয় তদন্ত সংস্থা, এন আই এই আজি মধ্য প্ৰদেশ আৰু ৰাজস্থানৰ কেতবোৰ স্থানত অভিযান চলায়। এটা বিবৃতিত তদন্ত সংস্থাটোৱে প্ৰকাশ কৰে যে **হুটৰ** কাম-কাজ আৰু ইয়াৰ সদস্যসকলৰ বিৰুদ্ধে চলি থকা তদন্তৰ অংশ হিচাপে আজি ভূপালৰ তিনিটা স্থান আৰু ঝালাৱাৰৰ দুটা স্থানত তালাচী চলোৱা হয়। এই তালাচী অভিযানত এন আই এৰ দলে কেতবোৰ ডিজিটেল সা-সঁজুলি জব্দ কৰে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি অনুসৰি ইৰানৰ ক্ষেপণাস্ত্ৰক ধ্বংস কৰাৰ ক্ষেত্ৰত ইজৰাইলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আকাশ প্ৰতিৰক্ষা ব্যৱস্থা আৰু সাগৰীয় প্ৰতিৰক্ষা ব্যৱস্থাৰ সহায় লৈছিল। ইজৰাইলৰ জৰুৰীকালীন সেৱাৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি তেল আভিভৰ দক্ষিণৰ ৰিছন লেজিয়নত ইৰাণৰ ক্ষেপণাস্ত্ৰই কেতবোৰ বাসগৃহত আঘাত কৰাৰ ফলত এজন লোকৰ মৃত্যু হয় আৰু ২০গৰাকীতকৈ অধিক লোক আহত হয়।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰী বিষয়াৰ উদ্ধৃতি দি দেশখনৰ সংবাদ মাধ্যমে কালি প্ৰকাশ কৰা বাতৰিত কোৱা হয় যে ইৰানৰ ক্ষেপণাস্ত্ৰক গুলীয়াই ভূ-পাতিত কৰাত আমেৰিকা যুক্তৰাষ্ট্ৰই সহায় কৰিছে। নাম প্ৰকাশত অনিচ্ছুক বিষয়াগৰাকীয়ে কয় যে পশ্চিম এছিয়াত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূ-পৃষ্ঠত স্থাপন কৰা পেট্ৰিয়ট ক্ষেপণাস্ত্ৰ প্ৰতিৰক্ষা ব্যৱস্থা আৰু টাৰ্মিনেল হাই এটিটুড এয়াৰ ডিফেন্স চিষ্টেম্ছ দুয়োটাই আছে। তেওঁ কয় যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ যুঁজাৰু বিমানে আকাশত তহল দিছে আৰু অঞ্চলটোৰ পৰা যুদ্ধজাহাজকে ধৰি দেশখনৰ সামৰিক সা-সৰঞ্জাম ইতিমধ্যে স্থানান্তৰ কৰা হৈছে।

ৰাষ্ট্ৰসংঘত ইৰানৰ স্থায়ী প্ৰতিনিধি আমিৰ ছয়ীদ ইৰাভানীয়ে কালি নিৰাপত্তা পৰিষদত অভিযোগ কৰে যে ইজৰাইলে ইচ্ছাকৃতভাৱে ইৰানৰ বিৰুদ্ধে আগ্ৰাসন আৰম্ভ কৰিছে আৰু ইয়াত ৱাশ্বিংটনে সম্পূৰ্ণৰূপে সমৰ্থন আগবঢ়াইছে। অপাৰেচন ৰাইজিং লায়নৰ অধীনত কালি নিচেই পুৱা ইৰানৰ বিৰুদ্ধে ইজৰাইলে আৰম্ভ কৰা অভিযানত কমেও ৭৮গৰাকী লোকৰ মৃত্যু হৈছে আৰু ৩২০গৰাকীৰো অধিক লোক আহত হৈছে বুলি তেওঁ দাবী কৰে। ইজৰাইলৰ আক্ৰমণৰ বিৰুদ্ধে ইৰানে প্ৰত্যুত্তৰ হিচাপে অপাৰেচন ট্ৰু প্ৰমিজ থ্ৰীৰ অধীনত কালি ইজৰাইলৰ সামৰিক ঘাটিসমূহক আক্ৰমণৰ লক্ষ্য কৰি লয়।

ooooo

ইজৰাইলে ইৰানৰ ভূমিত কৰা বোমাবৰ্ষণ আৰু তেল আভিভক লক্ষ্য কৰি ইৰানে চলোৱা ক্ষেপনাস্ত্ৰ আক্ৰমণ শীঘ্ৰেই বন্ধ কৰিবলৈ ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ’ গুটেৰেছে আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয় যে শান্তি আৰু কূটনীতি বৰ্তাই ৰাখিবই লাগিব। ইউৰোপীয়

আয়োগৰ অধ্যক্ষ উৰ্ছুলা ভন ডেৰ লেয়েনে কয় যে আত্মৰক্ষা আৰু নিজৰ নাগৰিকসকলক সুৰক্ষা প্ৰদানৰ ইজৰাইলৰ অধিকাৰ আছে। তেওঁ সকলো পক্ষকে সংযত হৈ পৰিস্থিতি স্বাভাৱিক কৰি তোলাত অগ্ৰসৰ হ'বলৈ আহ্বান জনায়।

ইয়াৰ পূৰ্বে ক্ৰেমলিনত এটা বিবৃতিত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ইজৰাইলৰ কৰ্মকাণ্ডক গৰিহণা দি কৈছিল যে ইজৰাইলে ৰাষ্ট্ৰসংঘৰ চনদ উলংঘা কৰিছে। তেওঁ এই ঘটনাত নিহতসকলৰ বাবে শোক প্ৰকাশ কৰে। বিবৃতিটোত উল্লেখ কৰা অনুসৰি ৰাষ্ট্ৰপতি পুটিনে দুয়োখন দেশৰ নেতাদ্বয়ৰ সৈতে কথাও পাতে।

ইপিনে, আন্তৰ্জাতিক আনবিক শক্তি সংস্থাৰ মুৰববী ৰাফেল ডছীয়ে কয় যে ইজৰাইলৰ বিমান আক্ৰমণে ইৰাণৰ নাতাঞ্জত থকা এটা প্ৰকল্প ধ্বংস কৰে। নিউয়ৰ্কত কালি অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ এখন জৰুৰী বৈঠকত তেওঁ এই কথা প্ৰকাশ কৰে।

কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নেয়ে এটা বিবৃতিত কয় যে ইৰানৰ পাৰমানবিক কাৰ্যসূচীয়ে দীৰ্ঘদিন ধৰি পশ্চিম এছিয়াত উত্তেজনাৰ সৃষ্টি কৰি আহিছে আৰু দেশখনে ইজৰাইলত চলোৱা ক্ষেপণাস্ত্ৰ আক্ৰমণে আঞ্চলিক শান্তি ব্যাহত কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তা প্ৰধানমন্ত্ৰীগৰাকীয়ে ইজৰাইলৰ আত্মৰক্ষাৰ অধিকাৰ আৰু দেশখনৰ সুৰক্ষা নিশ্চিত কৰাৰ অধিকাৰলৈ সমৰ্থন আগবঢ়ায়।

০০০০০

ইজৰাইলত থকা ভাৰতীয় দূতাবাসে আজি দেশখনত থকা ভাৰতীয় লোকসকলৰ উদ্দেশ্যে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি প্ৰবাসী ভাৰতীয়সকলক সতৰ্ক হৈ থাকি ইজৰাইল প্ৰশাসনে দিয়া উপদেশ অনুসৰি সুৰক্ষা ব্যৱস্থা মানি চলিবলৈ আহ্বান জনোৱা হৈছে। নিৰ্দেশনাটোত কোৱা হৈছে যে ভাৰতীয় লোকসকলে সাৱধানতা অৱলম্বন কৰা উচিত আৰু দেশখনৰ ভিতৰত অনাহক ভ্ৰমণ এৰাই চলি সুৰক্ষিত স্থানত থাকিব লাগে। দূতাবাসে ভাৰতীয়সকলৰ সুৰক্ষাকে ধৰি সামগ্ৰিক পৰিস্থিতিত নজৰ ৰাখিছে। অত্যন্ত জৰুৰী অৱস্থাত দূতাবাসৰ ২৪ ঘণ্টাই খোলা থকা হেল্পলাইন নম্বৰ প্লাছ ৯৭২ ৫৪-৭৫২০৭১১ আৰু প্লাছ ৯৭২ ৫৪-৩২৭৮৩৯২ত যোগাযোগ কৰিবলৈ কোৱা হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ইৰানত থকা প্ৰবাসী ভাৰতীয় আৰু ভাৰতীয় মূলৰ লোকসকলক সহায়ৰ দৰকাৰ হলে তেহৰানত থকা ভাৰতীয় দূতাবাসৰ জৰুৰীকালীন নম্বৰত যোগাযোগ কৰিব পাৰিব। দূতাবাসৰ জৰুৰীকালীন নম্বৰ হৈছে প্লাছ ৯৮ ৯১২৮১০৯১১৫ আৰু প্লাছ ৯৮ ৯১২৮১০৯১০৯।

ইয়াৰ পূৰ্বে ভাৰতীয় দূতাবাসে  ইৰানৰ সাম্প্ৰতিক পৰিস্থিত সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰি দেশখনত থকা ভাৰতীয়সকলক সতৰ্ক হৈ থাকি অনাৱশ্যক ভ্ৰমণ এৰাই চলিবলৈ আহ্বান জনোৱা হয়। একেদৰে দূতাবাসৰ সামাজিক মাধ্যমৰ একাউণ্ট আৰু স্থানীয় প্ৰশাসনৰ সুৰক্ষামূলক উপদেশ মানি চলিবলৈও আহ্বান জনোৱা হয়।

০০০০০

চিকিমত কৈলাশ মানসৰোৱৰ যাত্ৰাৰ বাবে প্ৰথমটো তীৰ্থযাত্ৰীৰ দল কাইলৈ গেংটকত উপস্থিত হ'ব। তীৰ্থযাত্ৰীসকলক আদৰিবৰ বাবে চিকিম চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।  উল্লেখযোগ্য,যে পাঁচ বছৰৰ ব্যৱধানৰ অন্তত অহা ২০ জুনত এই কৈলাশ মানসৰোৱৰ

যাত্ৰা আৰম্ভ হ'ব । পৰ্যটন আৰু অসামৰিক বিমাণ পৰিৱহণ বিভাগৰ অতিৰিক্ত মুখ্য সচিব চি এছ ৰাৱে আকাশবাণীৰ সংবাদদাতাক কয়,যে চৰকাৰী বিষয়াৰ সৈতে ৩৫ জন যাত্ৰীৰ সৈতে গঠিত প্ৰথমটো তীৰ্থযাত্ৰীৰ দল কাইলৈ আহি পাব। দলটোৱে চাৰিদিনৰ বাবে ১৫ মাইল আৰু শ্বেৰাথাঙত থাকিব। এই সময়ছোৱাত জ্যেষ্ঠ প্ৰতিৰক্ষা আৰু চৰকাৰী বিষয়াসকলে দলটোৰ তীৰ্থযাত্ৰীসকলৰ সৈতে কথা পাতিব। অহা ২০ জুনত মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙে নাথু লাত যাত্ৰা মুকলি কৰিব। শ্ৰী ৰাও এ কয়,যে যাত্ৰাৰ সময়ছোৱাত তীৰ্থযাত্ৰীসকলে চিকিৎসা আৰু অন্যান্য সকলো সা সুবিধা লাভ কৰিব। এই প্ৰক্ৰিয়াত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন সংস্থা জড়িত হৈ আছে বুলিও তেওঁ লগতে কয়। এই যাত্ৰা সম্পূৰ্ণ কৰিবলৈ প্ৰতিটো দলক ১১ ৰ পৰা ১২ দিন পৰ্যন্ত সময় লাগিব। এই বছৰ নাথু লা হৈ কৈলাশ মানসৰোৱৰৰ যাত্ৰাৰ বাবে মুঠ ১০ টা দলে তীৰ্থযাত্ৰাত অংশগ্ৰহণ কৰিব।

00000

কেন্দ্ৰীয় গৃহ পৰিক্ৰমা ৰাজ্যমন্ত্ৰী হৰ্ষ ছাংভি গান্ধীনগৰত গুজৰাট ফৰেণচিক বিজ্ঞান বিশেষজ্ঞৰ দলৰ সৈতে এখন বৈঠকত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে এই বৈঠকত ডি এন এ পৰীক্ষাৰ প্ৰক্ৰিয়াৰ পৰ্যবেক্ষণ কৰে। এই বৈঠকত গৃহ সচিব চোৰাংচোৰা ব্যুৰোৰ মহাপৰিদৰ্শক আৰু ফৰেনচিক বিজ্ঞান গৱেষণাগাৰৰ সঞ্চালকো উপস্থিত থাকে।

সংবাদ মাধ্যমক মন্ত্ৰী ছাংভিয়ে কয় যে গুজৰাটৰ ৩৬গৰাকী ফৰেনচিক বিশেষজ্ঞই ডি এন এ পৰীক্ষাৰ কাম দ্ৰুত কৰি তোলাত ব্যস্ত হৈ আছে। তেওঁলোকক সহায় কৰিবলৈ কেন্দ্ৰই ফৰেনচিক বিশেষজ্ঞৰ এটা দল প্ৰেৰণ কৰা বুলিও তেওঁ জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে গান্ধীনগৰৰ ৰাষ্ট্ৰীয় ফৰেনচিক বিজ্ঞান বিশ্ববিদ্যালয়ো ভ্ৰমণ কৰে। তেওঁ জ্যেষ্ঠ আৰক্ষী বিষয়াসকলৰ সৈতে দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰাৰ কথা। শোকাবহ বিমান দুৰ্ঘটনাটোৰ তদন্ত অব্যাহত আছে আৰু এই তদন্তত কেইবাটাও সংস্থাই সহযোগিতাৰে কাম কৰি আছে।

00000

লৰ্ডছত অনুষ্ঠিত আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত দক্ষিণ আফ্ৰিকা জয়ৰ নিচেই কাষ চাপিছে। খেলখনৰ আজি চতুৰ্থ দিনা জয়লাভৰ বাবে আৰু ৬৯ ৰানৰ লক্ষ্যৰে দক্ষিণ আফ্ৰিকাই নিজৰ দ্বিতীয় ইনিংছ পুনৰ আৰম্ভ কৰিব। কালি দুয়োগৰাকী অপৰাজিত বেটাৰ এইডেন মাৰক্ৰামৰ ১০২ আৰু অধিনায়ক টেম্বা বাভুমাৰ ৬৫ ৰানৰ পৰা আজিৰ খেল পুনৰ আৰম্ভ হ'ব। টেম্বা বাভুমা হেমষ্ট্ৰিঙৰ আঘাটৰ বাবে কিছু সময় খেলপথাৰতে চিকিৎসা ল'বলগীয়া হয় যদিও তেওঁ অধিনায়কোচিত দৃঢ়তাৰে খেলি দলক জয়ৰ দিশত লৈ যায়। বিশেষ কোনো অঘটন নঘটিলে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ২৭ বছৰীয়া ইতিহাসত দক্ষিণ আফ্ৰিকাই প্ৰথমবাৰৰ বাবে খিতাপ অৰ্জন কৰিব। দক্ষিণ আফ্ৰিকাই কালি খেলৰ তৃতীয় দিনা ২৮২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি দুটা উইকেটৰ বিমিনয়ত ২১৩ ৰান সংগ্ৰহ কৰে।

00000

সমাপ্ত